# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 25-12-2025

**Time :** 1800 Hrs.

## *Assamese Midday Bulletin*
## HEADLINE

ooooo

১। রাজ্যৰ ১৪ খন জিলাৰ আয়ুক্তৰ সাল-সলনি।

২। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যতো উলহ-মালহেৰে পবিত্ৰ বৰদিন উদযাপন।

৩। পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক।

**আৰু**

৪। ডিব্ৰুগড় জিলাৰ সাংসদ খেল মহোৎসৱৰ সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অংশগ্ৰহণ।

ooooo

ৰাজ্যৰ ১৪ খন জিলাৰ আয়ুক্তৰ সাল-সলনি কৰা হৈছে। সেই অনুসৰি কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত সুমিত চাট্টাৰনক তিনিচুকীয়া জিলাৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে আৰু তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপনীল পালক কামৰূপ মহানগৰ জিলাৰ আয়ুক্তৰ দায়িত্ব অৰ্পণ কৰা হৈছে। আৰণ্যক শইকীয়াক কাৰ্বি আংলঙৰ জিলা আয়ুক্ত হিচাপে দায়িত্ব দিয়া হৈছে। শিৱসাগৰ জিলা আয়ুক্ত আয়ুষ গাৰ্গক কাছাৰলৈ আৰু কাছাৰৰ জিলা আয়ুক্ত মৃদুল যাদৱক শিৱসাগৰলৈ বদলি কৰা হৈছে। একেদৰে, ধুবুৰীৰ জিলা আয়ুক্ত দিবাকৰ নাথক বঙাইগাঁৱলৈ আৰু বঙাইগাঁৱৰ জিলা আয়ুক্ত নৱদ্বীপ পাঠকক ধুবুৰীৰ জিলা আয়ুক্ত হিচাপে বদলি কৰা হৈছে। গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্তক কাৰাগাৰৰ মহাপৰিদৰ্শক হিচাপে দায়িত্ব দিয়া হৈছে। ইপিনে, দৰঙৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিক গোলাঘাটৰ জিলা আয়ুক্ত দায়িত্ব অৰ্পণ কৰা হৈছে। তামুলপুৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীক কোকৰাঝাৰৰ জিলা আয়ুক্ত দায়িত্ব অৰ্পণ কৰা হৈছে। কোকৰাঝাৰৰ জিলা আয়ুক্ত মাচান্দা মাগদালিন পাৰ্টিনক বিত্ত বিভাগৰ যুটীয়া আয়ুক্ত হিচাপে বদলি কৰা হৈছে। একেদৰে, পৰিৱেশ আৰু বন বিভাগৰ যুটীয়া আয়ুক্ত ছিমি কৰণক তামুলপুৰৰ আয়ুক্ত হিচাপে দায়িত্ব দিয়া হৈছে।

ooooo

আজি পৱিত্ৰ বৰদিন। এই উপলক্ষে বিশ্বৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যৰ গীৰ্জাসমূহত অগণন লোকৰ সমাগম পৰিলক্ষিত হয়। আজি পুৱাৰ ভাগত বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনা, আলোচনা সভা আদি অনুষ্ঠিত হয়। আলোকসজ্জা, খ্ৰীষ্টমাছ ট্ৰী, ৰং-বিৰঙী ফুল, তৰা আদিৰে গীৰ্জাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলৰ বাসগৃহসমূহ সজাই তোলা হয়। খ্ৰীষ্টধৰ্মী লোকসকলে কালি মাজনিশাৰে পৰা পৱিত্ৰ বৰদিন উপলক্ষে সমূহীয়া

প্ৰাৰ্থনা কৰে। গুৱাহাটী মহানগৰীৰ পাণবজাৰৰ ব্যাপ্তিষ্ট চাৰ্চ, পাণবজাৰৰ ডনবস্ক’, খ্ৰীষ্টানবস্তি, সোণাইঘূলিকে ধৰি বিভিন্ন স্থানৰ গীৰ্জাসমূহ কেৰলৰ ধ্বনিৰে মুখৰিত হৈ উঠে।

উত্তৰ-পূব ভাৰতৰ প্ৰথম গীৰ্জা ঘৰ হিচাপে পৰিচিত শিৱসাগৰ জিলাৰ ব্যাপ্টিষ্ট মণ্ডলীৰ গীৰ্জাঘৰত বৰদিনৰ আয়োজন কৰা হয়। বৰপুখুৰীৰ পাৰত অৱস্থিত এই গীৰ্জাঘৰত শিৱসাগৰ জিলাৰ খ্ৰীষ্টীয় সমাজে সদ্যপ্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত গভীৰভাৱে শোকাহত হৈ বৰদিন উদযাপন নকৰাৰ সিদ্ধান্ত লৈছিল। সেই সিদ্ধান্ত অনুসৰি বৰদিন উপলক্ষে এই বছৰ শিৱসাগৰ খ্ৰীষ্টীয় সমাজে আলোকসজ্জা, প্ৰীতিভোজ আৰু অন্যান্য কাৰ্যসূচী বাতিল কৰে।

ৰাজ্যৰ প্ৰথম পৰিষ্কাৰ আৰু স্বচ্ছ গাঁও হিচাপে পৰিচিত গোৱালপাৰা জিলাৰ ৰাংচাপাৰা গাঁওখনক বিভিন্ন আলোকসজ্জাৰে সজাই তোলাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলে ঘৰে ঘৰে বিভিন্ন খাদ্য প্ৰস্তুত কৰে। গোৱালপাৰা নগৰৰ বাপুজী নগৰত থকা একমাত্ৰ গীৰ্জাঘৰতো বৰদিন পালন কৰা হয়। তদুপৰি অসম-মেঘালয় সীমান্তৰ খ্ৰীষ্টধৰ্মী গাৰো সম্প্ৰদায়ৰ লোকসকলেও বৰদিন পালন কৰে।

শিলচৰৰ গীৰ্জাঘৰসমূহতো বৰদিন উদযাপন কৰা হয়। বিশ্বনাথ জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে গহপুৰ সম-জিলাতো খ্ৰীষ্টধৰ্মী লোকসকলে উলহ-মালহেৰে বৰদিন উদযাপন কৰে। খ্ৰীষ্টমাষ্ট ট্ৰী, বেটাৰী চালিত চাণ্টা ক্ল’জ, ৰং-বিৰঙী আলোকসজ্জাৰে বিপণীসমূহ ভৰি পৰা পৰিলক্ষিত হয়। অসম-অৰুণাচল সীমান্তৱৰ্তী হোলেঙ্গীৰ মিলনপুৰতো বৰদিন পালন কৰা হয়। বৰদিনৰ কাৰ্যসূচীত অৰুণাচল প্ৰদেশৰো বহু খ্ৰীষ্টান ধৰ্মাৱলম্বী লোক সমবেত হোৱা পৰিলক্ষিত হয়।

**ৰাইট**

চিৰাং জিলাৰ গীৰ্জাঘৰসমূহত বৰদিন উপলক্ষে উলহ-মালহ পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হয়। জিলাখনৰ চাপাগুৰি, বেংতল, বামুণগাঁও, টুক্ৰাঝাৰ, বাসুগাঁও, বল্লামগুৰি আদি স্থানৰ গীৰ্জাঘৰসমূহত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে সমূহীয়া প্ৰাৰ্থনা কৰে।

কোকৰাঝাৰ জিলাতো উৎসাহ-উদ্দীপনা আৰু ভক্তি সহকাৰে খীষ্ট্ৰধৰ্মী লোকসকলে বৰদিন পালন কৰিছে। ওদালগুৰি জিলাত বৰদিন উপলক্ষে গীৰ্জাসমূহ সজাই-পৰাই তোলা হয়।

বৰদিন উপলক্ষে উত্তৰ-পূবৰ অনান্য ৰাজ্যকেইখন বিশেষকৈ চুবুৰীয়া ৰাজ্য মেঘালয়ৰ ৰাজধানী শ্বিলং নগৰী আটক ধুনীয়াকৈ সজাই তোলা পৰিলক্ষিত হয়। প্ৰায় এসপ্তাহ পূৰ্বৰে পৰা নগৰখনত বৰদিনক লৈ ব্যস্ততা বিৰাজমান হৈছে। কালি সন্ধিয়াৰে পৰা বৰদিনৰ প্ৰাৰ্থনাৰ বাবে শ্বিলঙৰ গীৰ্জাঘৰলৈ বহু লোকৰ আগমন হয়। বৰদিনৰ আনন্দ উপভোগৰ বাবে শ্বিলঙলৈ দেশ-বিদেশৰ বহু পৰ্যটকৰ আগমনো পৰিলক্ষিত হয়।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পবিত্ৰ বৰদিন উপলক্ষে ৰাজ্যৰ সকলো জনসাধাৰণ বিশেষকৈ খ্ৰীষ্টধৰ্মী লোকসকলক ওলগ জনাই  কয়, যে যীশুখ্ৰীষ্টৰ জন্মদিন উপলক্ষে আয়োজিত এই উৎসৱে আমাক দয়া, কৰুণা আৰু নিস্বাৰ্থ সেৱাৰ অমূল্য - প্ৰমূল্যৰাজিৰ বিষয়ে সোঁৱৰাই দিয়ে।  ৰাজ্যপালগৰাকীয়ে লগতে সদিচ্ছা আৰু সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰি এই উৎসৱ পালন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰদিন উপলক্ষে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ লগতে প্ৰভু যীশুৰ আশীৰ্বাদে সমাজৰ পৰা অপশক্তি নাশ কৰি শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ব বোধৰ এনাজৰী সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হোৱা পৰিলক্ষিত হৈছে। আজিৰ দিনটোত বাতৰি যুগুতোৱাৰ পৰলৈকে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

অৱশ্যে অঞ্চলটোৰ প্ৰায় সংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠান এতিয়াও বন্ধ হৈ আছে। সেনা-আৰক্ষীয়ে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। উল্লেখযোগ্য যে কাইলৈ প্ৰতিবাদকাৰী, কাৰ্বি স্বায়ত্তশাসিত পৰিষদ আৰু ৰাজ্য চৰকাৰৰ মাজত ত্ৰিপাক্ষিক আলোচনা হোৱাৰ কথা আছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে খেৰণি ফেলাংপিত আমৰণ অনশন কৰি থকা কাৰ্বি সম্প্ৰদায়ৰ সদস্যসকলক সাক্ষাৎ কৰাৰ পাছত প্ৰতিবাদকাৰীসকলে অনশন কাৰ্যসূচী প্ৰত্যাহাৰ কৰিবলৈ আৰু ত্ৰিপাক্ষিক আলোচনাৰ বাবে সন্মতি প্ৰকাশ কৰে।

কাৰ্বি আংলঙৰ ঘটনা সন্দৰ্ভত হোজাই জিলাৰ লংকাত সংবাদমেলযোগে অসম ভোজপুৰী সন্মিলনে চৰকাৰক শীঘ্ৰেই অঞ্চলটোত শান্তি শৃংখলা বৰ্তাই ৰখাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়।

০০০০০

ডিব্ৰুগড় জিলাৰ সাংসদ খেল মহোৎসৱৰ আজি অনুষ্ঠিত সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি ডিব্ৰুগড়ৰ সাংসদ তথা কেন্দ্ৰীয় জাহাজ, বন্দৰ তথা জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ক্ৰীড়াৰ জৰিয়তে কৰ্ম-সংস্থাপন আৰু উপাৰ্জনৰ পথ আন্তৰ্জাতিক পৰ্য্যায়ত মুকলি হয় বুলি উল্লেখ কৰে। অনুষ্ঠানত নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে কয়, যে ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দায়িত্ব গ্ৰহণ কৰাৰ পাছৰে পৰাই নিৰন্তৰভাৱে খেলৰ জৰিয়তে সমাজখনক শক্তিশালী কৰি ৰাষ্ট্ৰ নিৰ্মাণত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ক্ৰীড়াৰ জৰিয়তে সমাজত শান্তি-শৃংখলাৰ লগতে ভাতৃত্ববোধ গঢ় দিয়া আৰু নাগৰিকসকলক একত্ৰিত হৈ দায়বদ্ধ হোৱাৰ ক্ষেত্ৰত সংকল্প গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰীৰ কাৰ্য্যকালত ক্ৰীড়াৰ জগতখনত ৰাজ্যখনে নতুন পৰিকল্পনাৰ অন্তৰ্ভুক্ত হ'বলৈ সমৰ্থ হৈছে। ক্ৰীড়াৰ জৰিয়তে এজন ব্যক্তিয়ে কায়িক, মানসিক আৰু আত্মাৰ সংযোগেৰে ব্যক্তিত্বৰ বিকাশ কৰিব পাৰে বুলিও তেওঁ উল্লেখ কৰে। ভাষণত মন্ত্ৰী সোণোৱালে লগতে কয়, যে খেলো ইণ্ডিয়া, ফিট ইণ্ডিয়া আদি কাৰ্য্যসূচীসমূহ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্য্যকালতে প্ৰৱৰ্তন কৰা হৈছিল। দেশৰ সকলো ৰাজ্যতে এই এই মহোৎসৱ অনুষ্ঠিত হৈ আহিছে আৰু ইয়াৰ জৰিয়তে দেশৰ বহু যুৱক-যুৱতী অলিম্পিক পৰ্য্যায়ৰ খেললৈ অগ্ৰসৰ হ'বলৈ সমৰ্থ হৈছে। খেলুৱৈসকলৰ বাবে দেশ-বিদেশত উন্নত মানৰ প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ আন জিলাসমূহৰ লগতে ডিব্ৰুগড় জিলাতো মানুহৰ আগ্ৰহ বৃদ্ধি পোৱা দেখিবলৈ পোৱা গৈছে। ক্ৰীড়া ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিলে এখন আত্ম-নিৰ্ভৰ ভাৰত গঢ়ি তোলাত সুবিধা হয় বুলিও তেওঁ মন্তব্য প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে ক্ৰীড়াৰ বাবে বৃহৎ পৰিমাণৰ পুঁজিৰ আবণ্টন কৰিছে আৰু বিভিন্ন নীতিৰ জৰিয়তে খেলুৱৈসকলক উদগনি দিয়া হৈছে বুলিও তেওঁ উল্লেখ কৰে। যোৱা ৩১ অক্টোবৰত ডিব্ৰুগড় লোকসভা সমষ্টি ভিত্তিত অনুষ্ঠিত হোৱা সাংসদ খেল মহোৎসৱৰ আজিৰ সামৰণি অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে সকলোকে সম্বোধন কৰে। অনুষ্ঠানত মন্ত্ৰী সোণোৱালৰ লগতে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা সাংসদ, খেল মহোৎসৱৰ সমন্বয়ক নিৰঞ্জন শইকীয়া, মন্ত্ৰী প্ৰশান্ত ফুকনৰ লগতে বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ১০১ নম্বৰ ৰংখাং বিধানসভা সমষ্টি আৰু ১১২ নম্বৰ আমৰি বিধানসভা সমষ্টিৰ বাবে প্ৰথম পৰ্য্যায়ৰ ই ভি এম আৰু ভিভিপেট নিৰীক্ষণ কাৰ্য্যসূচী ২৬ ডিচেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ ধাৰ্য্য কৰা হৈছে। জিলা আয়ুক্তই জানিবলৈ দিয়া মতে, এই দিনকেইটাত ৰাষ্ট্ৰীয় আৰু আঞ্চলিক ৰাজনৈতিক দলৰ স্বীকৃতিপ্ৰাপ্ত সদস্যক বিশেষজ্ঞ অভিযন্তাৰ জৰিয়তে পুৱা ৯ বজাৰ পৰা বিয়লি ৭ বজালৈ ই ভি এম আৰু ভিভি পেটৰ নিৰীক্ষণ কৰাৰ সুবিধা প্ৰদান কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটো পশ্চিম কাৰ্বি আংলং জিলাৰ অতিৰিক্ত জিলা আয়ুক্তৰ পৰিচালনাত সম্পন্ন কৰা হ'ব বুলি জানিবলৈ দিয়া হৈছে।

ooooo

উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ মাজুলীৰ অনাতাঁৰ মৰম পৰিয়ালে আগবঢ়োৱা **শ্ৰোতা প্ৰেৰণা বঁটা ২০২৫** আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰক প্ৰদান কৰা হয়। আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে শ্ৰীবৰঠাকুৰলৈ এই বঁটা আগবঢ়োৱা হয়।

ooooo

সমাপ্ত